**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-08-2024 **Time :** 0900 Hrs

***Assamese Morning Bulletin***

**<u>HEADLINES</u>**

১। অসম বিধানসভাৰ শৰৎকালীন অধিৱেশনৰ আজি দ্বিতীয় দিন।

২। চিকিৎসা বৃত্তিৰ সৈতে জড়িত লোকসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে গঠিত ৰাষ্ট্ৰীয় টাস্ক ফৰ্চৰ আজি প্ৰথমখন বৈঠক।

৩। অসম আৰু মিজোৰামৰ মাজত ৰে'ল সেৱা তিনি দিনলৈ বন্ধ থাকিব বুলি উত্তৰ-পূব সীমান্ত ৰে'ল কৰ্তৃপক্ষৰ প্ৰকাশ।

৪। মোহনবাগান এছ জি - বেংগালুৰু এফ চিৰ মাজত আজি ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেল।

*আৰু*

৫। পেৰিছত কাইলৈৰ পৰা হ'বলগীয়া পেৰালিম্পিকত ভাৰতৰ ৮৪ গৰাকী এথলিটৰ প্ৰতিদ্বন্দ্বিতা।

0000000

অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ দ্বিতীয় দিনৰ কাৰ্যসূচী আজি অনুষ্ঠিত হ'ব। আজিৰ দিনটোত সংকল্প প্ৰস্তাৱ গ্ৰহণ আৰু কেইবাখনো বিধেয়ক উত্থাপনৰ সম্ভাৱনা আছে। আনহাতে কাইলৈ পৰিপূৰক মঞ্জুৰিৰ বাবে দাবীসমূহৰ সন্দৰ্ভত আলোচনা আৰু ভোটদান হ'ব। উল্লেখযোগ্য যে যোৱা ২২ আগষ্টত বিধানসভাৰ শৰৎকালীন অধিৱেশন আৰম্ভ হয়। এইকেইদিন বন্ধ থকাৰ পাছত আজি পুনৰ বিধানসভা অধিৱেশনৰ কাম-কাজ আৰম্ভ হ'ব। এই অধিবেশনৰ অহা ৩০ আগষ্টত সামৰণি পৰিব।

00000000

অসম আৰক্ষীয়ে ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি অটুট ৰখা তথা জনসাধাৰণ নিৰাপত্তা সুনিশ্চিত কৰাৰ স্বাৰ্থত অৰ্ধসামৰিক বাহিনীৰ সহযোগত সমগ্ৰ ৰাজ্যতে বিশেষ পহৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কেতবোৰ বিক্ষিপ্ত ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ শান্তি-শৃংখলা পৰিস্থিতি যাতে ব্যাহত নহয় তাৰ বাবে জিলা আয়ুক্ত, আৰক্ষী অধীক্ষকসকলে বিশেষ সতৰ্কতা অৱলম্বন কৰিছে। বৰপেটা জিলাতো প্ৰতিটো ৰাজহ চক্ৰৰ অধীনৰ অঞ্চলত আৰক্ষীয়ে তহলৰ ব্যৱস্থা কৰিছে। নিশাৰ ভাগতো জিলাখনৰ একাংশ অঞ্চলত আৰক্ষীৰ লগতে অৰ্ধ সামৰিক বাহিনীৰ জোৱানৰ এই তৎপৰতা অব্যাহত থাকে। যোৰহাট জিলাৰ বিভিন্ন প্ৰান্তত আৰক্ষী প্ৰশাসনে ব্যাপক পহৰাৰ ব্যৱস্থা কৰিছে। জিলাখনৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে জিলা আয়ুক্ত, দণ্ডাধীশ, চক্ৰ বিষয়ায়ো আৰক্ষীৰ এই পহৰাত সহযোগিতা আগবঢ়াইছে। গোলাঘাট জিলাৰ বিভিন্ন স্থানত আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। জিলাখনৰ ব্যস্ততাপূৰ্ণ বিভিন্ন স্থানত আৰক্ষীয়ে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। লখিমপুৰ জিলাৰো বিভিন্ন প্ৰান্তত আৰক্ষীয়ে ব্যাপক পহৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ নাগৰিকৰ সুৰক্ষা তথা অপৰাধমূলক কাৰ্যকলাপ প্ৰতিহত কৰাৰ বাবে আৰক্ষী প্ৰশাসনে এই ব্যৱস্থা গ্ৰহণ কৰিছে।

00000000

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে তৃতীয় বৰ্গৰ পদৰ বাবে অসমৰ উচ্চতৰ মাধ্যমিক স্তৰৰ ৩ হাজাৰ ১২৭টা পদৰ লিখিত পৰীক্ষা অহা ১৫ ছেপ্তেম্বৰত অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। পৰীক্ষাৰ্থীসকলে অহা ২ ছেপ্তেম্বৰৰ দিনৰ ১১ বজাৰ পৰা অসম মাধ্যমিক শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org

অথবা ৰাজ্য চৰকাৰৰ ৱেবছাইট www.assam.gov.in যোগে পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। লিখিত পৰীক্ষাৰ দিনা প্ৰাৰ্থীসকলে এই প্ৰৱেশ পত্ৰ প্ৰদৰ্শন কৰাৰ লগতে প্ৰৱেশ পত্ৰত সন্নিবিষ্ট নিৰ্দেশনাসমূহ মানি চলিবলৈ জাননীখনত আহ্বান জনোৱা হৈছে। একেদৰে কোনো ধৰণৰ কাৰিকৰী সহায়ৰ প্ৰয়োজন হ'লে প্ৰাৰ্থীসকলক 95823-90056 টোল ফ্ৰী নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে।

oooooooo

চিকিৎসা বৃত্তিৰ সৈতে জড়িত লোকসকলৰ সুৰক্ষা, নিৰাপত্তা আৰু অনুকূল কৰ্মস্থানৰ পৰিৱেশ সুনিশ্চিত কৰাৰ বাবে উচ্চতম ন্যায়ালয়ে গঠন কৰা ৰাষ্ট্ৰীয় টাস্ক ফৰ্চৰ প্ৰথমখন বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব। ভাৰত চৰকাৰৰ কেবিনেট সচিবৰ অধ্যক্ষতাত এই বৈঠক অনুষ্ঠিত হ'ব। এই টাস্ক ফৰ্চত কেন্দ্ৰীয় গৃহ সচিব, ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ অধ্যক্ষ ভাইচ এডমিৰেল ডাঃ আৰ চাৰিন, এইমছৰ সঞ্চালক ডাঃ এ শ্ৰীনিৱাস আৰু স্নায়ু ৰোগ বিভাগৰ প্ৰাক্তন অধ্যাপক ডাঃ পদ্মা শ্ৰীবাস্তৱক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত সংঘটিত এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাকাণ্ডৰ গোচৰৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে চিকিৎসা বৃত্তিৰ সৈতে জড়িত লোকসকলৰ সুৰক্ষাৰ বাবে এই টাস্ক ফৰ্চ গঠন কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ে অহা তিনি সপ্তাহৰ ভিতৰত টাস্ক ফৰ্চক অন্তৰ্বৰ্তীকালীন প্ৰতিবেদন আৰু দুমাহৰ ভিতৰত চূড়ান্ত প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিছে।

oooooo

মুখ্যমন্ত্ৰী তথা বিজেপিৰ ঝাৰখণ্ডৰ নিৰ্বাচনৰ সহ প্ৰভাৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা মতে ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ৰাজ্যখনৰ জ্যেষ্ঠ আদিবাসী নেতা চম্পাই চোৰেনে ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰিব। মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে এই কথা প্ৰকাশ কৰি, অহা ৩০ আগষ্টত ৰাঁচিত আয়োজিত এটা অনুষ্ঠানত ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা জে এম এমৰ নেতাগৰাকীয়ে বিজেপিত যোগদান কৰিব বুলি জানিবলৈ দিয়ে। তেওঁ লগতে প্ৰকাশ কৰা মতে শ্ৰী চোৰেনে কালি নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি ৰাজ্যখনৰ শেহতীয়া ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে।

উল্লেখযোগ্য যে, ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে শেহতীয়াভাৱে প্ৰকাশ কৰা মতে ৰাজ্যখনৰ শাসকীয় মিত্ৰজোঁটৰ প্ৰধান দল জে এম এমৰ পৰা তেওঁ দূৰত্ব ৰক্ষা কৰি চলিছে।

ooooooo

ধিঙৰ কিশোৰীক নিৰ্যাতনৰ ঘটনাৰ বিৰুদ্ধে তথা দুৰ্বৃত্তক কঠোৰ শাস্তি বিহাৰ দাবীত বিভিন্ন সংস্থা-সংগঠনে প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখিছে। ধিং আঞ্চলিক ছাত্ৰ সন্থা আৰু নাৰী সুৰক্ষা সমিতিকে ধৰি  ভিন ভিন সংস্থা আৰু সংগঠনে কালিও অনশন আৰু বিক্ষোভ প্ৰদৰ্শনকে ধৰি এনে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ মাজতে কালিৰ দিনটোতো নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু শিৱসাগৰৰ বিধায়ক অখিল গগৈকে ধৰি একাধিক জন প্ৰতিনিধি তথা নেতৃস্থানীয় ব্যক্তিয়ে ধিঙত উপস্থিত হৈ প্ৰতিবাদকাৰীসকলৰ সৈতে মত বিনিময় কৰা তথা পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ভুক্তভোগী পৰিয়ালটোক সাক্ষাৎ কৰে।

oooooooo

ৰাজ্যৰ আন বিভিন্ন স্থানৰ লগতে লখিমপুৰ জিলাৰো ঠায়ে ঠায়ে আজি নন্দোৎসৱ উদযাপনৰ আয়োজন কৰা হৈছে। ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ পাছৰ দিনটোত এই উৎসৱ উদযাপন কৰা হয়। ইয়াৰ পূৰ্বে কালি লখিমপুৰতো মাজনিশালৈকে জন্মাষ্টমী উদযাপন কৰা হয়। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি নামঘৰ, বাসুদেৱ মন্দিৰ, বিষ্ণু মন্দিৰ আদিকে ধৰি ৰাজহুৱা স্থানত কণ কণ ল'ৰা-ছোৱালীৰ মাজত কৃষ্ণৰ সাজ-সজ্জাৰ প্ৰতিযোগিতা, নাম-কীৰ্তন আদি অনুষ্ঠিত হয় বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

oooooooo

কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি প্ৰক্ৰিয়া যাতে সময় নিৰ্ধাৰিত, সহজ আৰু অৰ্থপূৰ্ণ হয় তাৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। ব্যক্তিগত, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেন্সন মন্ত্ৰালয়ে কৈছে যে, এই ৰাজহুৱা ওজৰ-আপত্তি ফলপ্ৰসূ নিষ্পত্তিৰ বাবে জাৰি কৰা নিৰ্দেশনাৰ জৰিয়তে নাগৰিকসকলক সবল কৰা, প্ৰক্ৰিয়াটো সুব্যৱস্থিত কৰাৰ লগতে এইক্ষেত্ৰত অধিক স্বচ্ছতা অনা আৰু গুৰুত্ব প্ৰদানত প্ৰয়াস কৰা হৈছে।

জনসাধাৰণে তেওঁলোকৰ ওজৰ-আপত্তিসমূহ www.pgportal.gov.ত পঞ্জীয়ন কৰিব পাৰিব। কেন্দ্ৰীয় মন্ত্ৰালয় আৰু বিভাগসমূহে ইয়াৰ বাবে ন'ডেল বিষয়া নিয়োগ কৰিব লাগিব, যিয়ে এই প্ৰক্ৰিয়াক খৰতকীয়াকৈ, স্বচ্ছতাৰে আৰু ফলপ্ৰসূভাৱে সম্পন্ন কৰিব। বিষয়াসকলক আঁচনি আৰু কাৰ্যসূচী সন্দৰ্ভত জ্ঞান থকা পৰ্যাপ্ত সম্পদৰ সহায়ত সমৰ্পিত ওজৰ-আপত্তি কোষ স্থাপন কৰাৰ নিৰ্দেশ দিয়া হৈছে। নিষ্পত্তি হোৱা ওজৰ-আপত্তিসমূহৰ বিষয়ে এছ্ এম এছ্ আৰু ই-মেইলৰ জৰিয়তে অৱগত কৰোৱা হ'ব।

0000000

অসম আৰু মিজোৰামৰ আন্তঃৰাজ্যিক ৰে'ল সংযোগ তিনিদিনলৈ বন্ধ থাকিব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেই প্ৰকাশ কৰিছে। হাইলাকান্দি জিলাৰ কিল্লাৰবাক অঞ্চলত হোৱা তীব্ৰ খহনীয়াৰ ফলত ৰে'লপথসমূহৰ মেৰামতিৰ প্ৰয়োজন হৈছে। উত্তৰ-পূব সীমান্ত ৰে'ল কৰ্তৃপক্ষই জনোৱা অনুসৰি ধলেশ্বৰ নৈৰ জলপৃষ্ঠ হ্ৰাস পোৱাৰ পাছত ৰে'লপথৰ মেৰামতিৰ কাম আৰম্ভ হ'ব। উল্লেখযোগ্য যে প্ৰচণ্ড বৰষুণ আৰু খহনীয়াৰ ফলত যোৱা ২৪ আগষ্টৰ পৰা অসম আৰু মিজোৰামৰ মাজৰ ৰে'লসেৱা ব্যাহত হৈ পৰিছিল। সম্প্ৰতি মিজোৰামৰ ভৈৰৱীৰ পৰা হাইলাকান্দি হৈ শিলচৰৰ মাজত চলাচল কৰা দৈনিক যাত্ৰীবাহী ৰে'লগাড়ীখনৰ যাত্ৰা শিলচৰ আৰু জামিৰাৰ মাজতহে অব্যাহত আছে।

00000000

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত আজি মোহনবাগান এছ্ জি - বেংগালুৰু এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। আজিৰ খেলখনৰ বিজয়ী দলটো ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ সন্মুখীন হ'ব। উল্লেখযোগ্য যে, কালি শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চি য়ে-শ্বিলঙৰ লাজং এফ চিক ৩-০ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

0000000

অসম ভাৰোত্তোলন সন্থাৰ তত্তাৱধানত ডিব্ৰুগড়ত ২৯ আগষ্টৰ পৰা ১ ছেপ্তেম্বৰলৈ ৫২ সংখ্যক ৰাজ্যিক আন্তঃজিলা ভাৰোত্তোলন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। যুৱ, জুনিয়ৰ আৰু ছিনিয়ৰ শাখাত হ'বলগীয়া এই প্ৰতিযোগিতাৰ খেলসমূহ পুৰুষ আৰু মহিলাৰ উভয়ৰ বাবে মুকলি থাকিব। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাৰ পৰাই অহা ৬ অক্টোবৰৰ পৰা ১৩ অক্টোবৰলৈ হিমাচল প্ৰদেশত হ'বলগীয়া ৰাষ্ট্ৰীয় ভাৰোত্তোলন চেম্পিয়নশ্বিপৰ বাবে ৰাজ্যিক দলটো নিৰ্বাচন কৰা হ'ব।

00000000

পেৰিছত কাইলৈৰ পৰা পেৰালিম্পিক ক্ৰীড়া সমাৰোহ অনুষ্ঠিত হ'ব। ১১ দিনীয়া এই প্ৰতিযোগিতাখন অহা ৮ ছেপ্তেম্বৰত সামৰণি পৰিব। এইবাৰ প্ৰতিযোগিতাত ভাৰতৰ ৮৪ জনীয়া দলে ভাগ ল'ব। এই প্ৰতিযোগিতাত মুঠ ১২ টা ইভেণ্টত ভাৰতীয় এথলিটে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এইবাৰৰ পেৰা অলিম্পিকৰ উদ্বোধনী অনুষ্ঠানত সুমিত আণ্টিল আৰু ভাগ্যশ্ৰী যাদৱে ভাৰতৰ ধ্বজা বহন কৰিব। উল্লেখযোগ্য যে এই ক্ৰীড়া সমাৰোহত বিভিন্ন দেশৰ প্ৰায় চাৰি হাজাৰ ৫০০ গৰাকী এথলিটে ২২ বিধ খেলত ৫৪৯ টা পদকৰ বাবে যুঁজিব। ক্ৰীড়া মন্ত্ৰী ডং মনসুখ মন্দাভিয়াই সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত দেশবাসীক পেৰালিম্পিকত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈসকলক CHEER 4 BHARAT শ্ল'গানেৰে উৎসাহিত কৰাৰ বাবে আহ্বান জনাইছে।

00000000

নিউয়ৰ্কত কালি চলিত বৰ্ষৰ ইউ এছ্ অপেন টেনিছ্ প্ৰতিযোগিতা আৰম্ভ হয়। প্ৰতিযোগিতাত সম্প্ৰতি পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডৰ এখন খেলত ভাৰতৰ সুমিত নাগল নেডাৰলেণ্ডছৰ টেলন গ্ৰিয়েক্সপুৰৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। এই প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ সুবাদত নাগলে ২০১৯ চনৰ পাছত একেটা বৰ্ষতে চাৰিওখন গ্ৰেণ্ডশ্লাম প্ৰতিযোগিতাৰ ছিংগলছত ভাগ লোৱা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হিচাপে পৰিগণিত হৈছে। ৰেংকিঙৰ ৭২ সংখ্যক স্থানত থকা ভাৰতীয় খেলুৱৈগৰাকীয়ে চলিত বৰ্ষত অষ্ট্ৰেলিয়ান অ'পেন টেনিছ্ প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰাৰ পূৰ্বে ফ্ৰেন্স অপেন আৰু উইম্বলডনৰ প্ৰথম ৰাউণ্ডত পৰাজিত হৈছিল। দুবাৰৰ গ্ৰেণ্ডশ্লাম চেম্পিয়ন ভাৰতৰ ৰোহন বোপন্না আৰু তেওঁৰ অষ্ট্ৰেলিয়াৰ সহযোগী মেথিউ এবডেনৰ যুটীটোক প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত স্পেইনৰ মাৰ্চেল গ্ৰেণ'লাৰ্চ আৰু আৰ্জেণ্টিনাৰ হ'ৰাচীও জেবাল'ছৰ যুটীটোৰ পাছতে দ্বিতীয় বাছনিত স্থান দিয়া হৈছে।

ইপিনে প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডত যোৱাবাৰৰ চেম্পিয়ন আমেৰিকা যুক্তৰাষ্ট্ৰ ক'ক' গ'ফে বিশ্বৰ ৬৬ সংখ্যক স্থানৰ ফৰাচী খেলুৱৈ ভাৰভাৰা গ্ৰাছেভাক যোৱা নিশা ৬-২, ৬-০ ফলাফলত পৰাস্ত কৰে। মহিলাৰ ছিংগলছত প্ৰতিযোগিতাৰ প্ৰাক্তন চেম্পিয়ন পোলেণ্ডৰ ইগা শ্বিয়াটেক, বিশ্বক্ৰমৰ চতুৰ্থ স্থানৰ খেলুৱৈ কাজাখস্তানৰ এলিনা ৰাইবাকিনা তথা অষ্ট্ৰেলিয়ান অপেনৰ খিতাপ দুবাৰকৈ জয় কৰা এৰিনা ছাবালেংকাৰ দৰে আগশাৰীৰ খেলুৱৈসকলেও অংশগ্ৰহণ কৰিছে।

oooooooo

বিশিষ্ট শিক্ষাবিদ, গল্পকাৰ তথা দমদমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰবীন শৰ্মাৰ কালি সন্ধিয়া গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মুনীন বৰকটকী বঁটাপ্ৰাপক সু-সাহিত্যিকগৰাকীৰ মৃত্যুৰ সময়ত বয়স আছিল ৬৭ বছৰ। ১৯৫৭ চনৰ ৬ জানুৱাৰীত জন্মগ্ৰহণ কৰা ড° শৰ্মাই ছখন গল্প সংকলন, চাৰিখন প্ৰবন্ধ সংকলন ৰচনা কৰিছিল। ৰাজ্য চৰকাৰৰ সাহিত্যিক পেঞ্চনপ্ৰাপ্ত শৰ্মাৰ গল্পপুথিসমূহৰ অন্যতম হৈছে - চং, মুখা, কথা ভগীৰথ, ৰংশিঙা-খংশিঙা আৰু পাঞ্চাৰ পাঁচালী।

oooooooo

কেন্দ্ৰীয় চৰকাৰে নামৰূপ সাৰ কাৰখানা বিক্ৰী কৰাৰ সিদ্ধান্ত চূড়ান্ত কৰিছে। এওঁ বাতৰিটো দৈনিক অসম আৰু দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।ৰাজ্যৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ ১২,৬০০ পদত আবেদনকাৰী ৩২ লক্ষাধিক এই শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰধান বাতৰিৰূপে পৰিৱেশন কৰিছে। ৰাজ্যজুৰি কালি প্ৰভু শ্ৰীকৃষ্ণৰ বন্দনাৰে জন্মাষ্টমী উলহ মালহেৰে পালন কৰাৰ বাতৰিটো গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। তিব্বতীয় মালভূমিৰ সঘন ভূস্কলন আৰু অঞ্চলটোৰ উষ্ণতা বৃদ্ধিয়ে অসমলৈ অশনি সংকেত কঢ়িয়ায় অনাক লৈ এটা অধ্যয়নৰ উদ্ধৃতিৰে দৈনিক অসম কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম লোকসেৱা আয়োগৰ ২০২২ বৰ্ষৰ সংযুক্ত অসামৰিক সেৱাৰ মূল পৰীক্ষাত অৱতীৰ্ণ হোৱা এজন প্ৰাৰ্থীৰ উত্তৰ বহীৰ পৰা জলিয়াতিৰে ৰোল নম্বৰ সলনি কৰি বাছনিৰ পৰা বঞ্চিত কৰাৰ অভিযোগক লৈ আমাৰ অসম কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসমৰ ১০ খন চাহ বাগানত চাহ শ্ৰমিকৰ প্ৰতিবাদ অব্যাহত থকাৰ পাছত ৰাজ্য চৰকাৰে এই সন্দৰ্ভত কেন্দ্ৰলৈ পত্ৰ প্ৰেৰণ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে অনুৰোধ কৰিছে। এই বাতৰিটো The Sentinel কাকতে প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। কাকতখনে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমত ২৫ % পদ খালী হৈ থকা বুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। গুৱাহাটীৰ ৰুক্মিণীগাঁওত নিৰ্মাণ হবলগীয়া এখন উৰণ সেতুৰ বাবে গছ গচনি কাটি ধ্বংস কৰাক লৈ নিয়মীয়া বাৰ্তা কাকতে বাতৰিটো আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। একেটা বাতৰি

দৈনিক অগ্ৰদূত কাকতেও প্ৰকাশ কৰিছে। ৰাজ্যজুৰি জিলাই জিলাই আৰক্ষী - চি আৰ পি এফৰ ফুট মাৰ্চ অব্যাহত থকাক লৈ গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে বাতৰিটো আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।৭ বছৰত মাত্ৰ ২৬ বিদেশীক বহিষ্কাৰ কৰা হৈছে বুলি সদনত গৃহ বিভাগৰ তথ্যক লৈ অসমীয়া খবৰ কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জম্মু কাশ্মীৰ বিজেপিয়ে সমাগত বিধান সভা নিৰ্বাচনৰ বাবে ৪৪ প্ৰাৰ্থীৰ তালিকা বাতিল কৰি ৩ ঘন্টাত দুখন তালিকা প্ৰকাদ কৰাক লৈ অসমীয়া প্ৰতিদিন কাকতে এটা বাতৰি পৰিৱেশন কৰিছে। আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে: ইউক্ৰেইনত ৰাছিয়াৰ ভয়াবহ ক্ষেপনাস্ত্ৰ আক্ৰমন ,NGO run de addiction centres to the costly, বিপিএফ ইউ পি পি এলৰ একত্ৰিকৰনেৰে বিধানসভা নিৰ্বাচনৰ পৰিকল্পনা বিজেপিৰ প্ৰাক্তন আলফাই ৰাজ্যত গঢ়িৰ সেউজ বিপ্লৱ , প্ৰধানমন্ত্ৰী মোদীৰ আগত অসমীয়া নাৰীৰ সাফল্যৰ কাহিনী কলে দীপাঞ্জলি বৰাই ইত্যাদি।এয়াই আছিল গুৱাহাটীৰপৰা আজি প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

**সমাপ্ত**